৭৯ বছৰীয়া ঐতিহ্যৰ সংবাহক

# জনমভূমি

Regd. No. PMG-17, RNI NO.-1129/57 ■ THE JANAMBHUMI
৭৯ বছৰ ■ যোৰহাট ■ সংখ্যা ৮ ■ বুধবাৰ ■ ২৩ বহাগ, ১৯৪৭ শক ■ মূল্য ঃ ৫ টকা
79 Years ■ JORHAT ■ VOLUME 8 ■ Wednesday, May 7, 2025 ■ Price : 5.00

### কাঁহশিল্প, গামোচা, গহনালৈকে সকলোতে নকলৰ পয়োভৰ

## কেৱল জি আই টেগে বচাবনে ?



উৎপল কুমাৰ কলিতা

জি আই টেগ অৰ্থাৎ ভৌগোলিক সূচাংকই এটা অঞ্চলত উৎপাদিত সামগ্ৰীৰ নকল আৰু অপব্যৱহাৰৰ পৰা সুৰক্ষা দিয়ে। ফলত উৎপাদিত সামগ্ৰীৰ বজাৰ মূল্য বাঢ়ে আৰু স্থানীয় উৎপাদনৰ আয় বৃদ্ধি কৰে। আশাপ্ৰদভাৱে ইতিমধ্যে অসমৰ কেইবাবিধো সামগ্ৰী এই জি আই টেগ লাভ কৰিছে। কিন্তু তাৰ মাজতে পৰিতাপৰ কথা জি আই টেগ লাভৰ পাছতো অসমৰ থলুৱা উৎপাদকে উৎপাদন ■ *শেষাংশ পাঁচ পৃষ্ঠালৈ*

## বিবেকানন্দ আৰু জামছেদজী টাটাৰ যুগান্তকাৰী সাক্ষাৎ

পংকজ কুমাৰ নেওগ

বছৰটো আছিল ১৮৯৩ চন।৩১ মে' তাৰিখে জাপানৰ য়াকোহামাৰ পৰা কানাডাৰ ভাংকুভাৰগামী এখন জাহাজত দুগৰাকী মহান ভাৰতীয়ৰ প্ৰথমবাৰৰ বাবে দেখা-সাক্ষাৎ হয়। ইয়াৰে এজন আছিল প্ৰখ্যাত শিল্পপতি আৰু পৰৱৰ্তী সময়ৰ ভাৰতৰ অন্যতম শ্ৰেষ্ঠ স্বপ্নদ্ৰষ্টা জামছেদজী টাটা আৰু আনজন আছিল ভাৰতৰ আধ্যাত্মিক ঐতিহ্যক পূৰ্বতকৈয়ো অধিক ফলপ্ৰসূভাৱে পাশ্চাত্যলৈ আগবঢ়াই নিয়া এজন সন্ন্যাসী যিগৰাকী স্বামী বিবেকানন্দ নামেৰে পৰিচিত আছিল। ১৮৯৩ চনত জামছেদজীয়ে চিকাগোৰ এখন শিল্প প্ৰদৰ্শনীলৈ যাত্ৰা কৰে। যাত্ৰাপথত তেওঁ জাপানৰ হোটেল এখনত থাকে আৰু কেইদিনমানৰ পাছত সেই একেখন হোটেলত স্বামী বিবেকানন্দয়ো জিৰণি ল'বলৈ উঠে। ইয়াৰ কিছুদিনৰ পাছতে মে' মাহৰ এটা ৰৌদ্ৰোজ্জ্বল আবেলি এই বিখ্যাত যুটিটোৱে জাপানৰ য়াকোহামা বন্দৰৰ পৰা কানাডাৰ ভাংকুভাৰ বন্দৰলৈ যাত্ৰা আৰম্ভ কৰে। তেওঁলোকে যাত্ৰা কৰা কানাডিয়ান পেচিফিক ষ্টীমশ্বিপ কোম্পানীৰ ১৬,৯৯২ টন বিলাসবহুল ষ্টীমশ্বিপখনৰ নাম আছিল 'এছ এছ এম্প্ৰেছ অৱ্ ইণ্ডিয়া।'

দুয়োজনৰ মাজত পূৰ্বতে ক্ষন্তেক সময়ৰ বাবে দেখাদেখি হৈছিল যদিও সময়ৰ অভাৱত তেওঁলোকৰ কোনো আলোচনাৰ সূত্ৰপাত ঘটা নাছিল। ভাংকুভাৰ যাত্ৰাৰ সময়ত এইবাৰ তেওঁলোকে যথেষ্ট সময় পায় আৰু জাহাজৰ ডকত একত্ৰিত হৈ বিভিন্ন বিষয় আলোচনা কৰাৰ সুযোগ লাভ কৰে। স্বামী বিবেকানন্দই সত্যৰ সন্ধানত ভাৰতৰ বিভিন্ন প্ৰান্তত ভ্ৰমণৰ সময়ত লাভ কৰা অভিজ্ঞতা জামছেদজীক বৰ্ণনা কৰে। তেওঁ ঔপনিৱেশিক কৰ্তৃপক্ষৰ হাতত তেওঁৰ সহ-ভাৰতীয়সকলৰ ওপৰত চলা নিৰ্মম নিপীড়ন ■ *শেষাংশ পাঁচ পৃষ্ঠালৈ*





আপোন ঘৰখন...

আলোকচিত্ৰ ঃ ইণ্টাৰনেট

## নিৰ্বাচনী প্ৰচাৰ বনাম ব্যক্তিগত সংঘাত

### সস্তীয়া, বোকা ছটিওৱা ৰাজনীতিত ব্যস্ত শাসক-বিৰোধী

অমল গোস্বামী

### পঞ্চায়ত নিৰ্বাচনত নাই পঞ্চায়তৰ কথা

অহা বৰ্ষৰ এপ্ৰিল, মে' মাহত অনুষ্ঠিত হ'ব অসম বিধানসভাৰ নিৰ্বাচন। সেয়েহে ইয়াৰ পূৰ্বে অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনক প্ৰতিটো ৰাজনৈতিক দলেই বিধানসভাৰ নিৰ্বাচনৰ ছেমি ফাইনেল হিচাপে গণ্য কৰিছে। কিন্তু এইবাৰৰ পঞ্চায়তৰ নিৰ্বাচনী প্ৰচাৰ দেখিহে সকলোৰে চকু কপালত উঠিছে। ৰাজনৈতিক নেতাসকলৰ প্ৰচাৰত ৰাজ্যৰ সমস্যাবোৰ ফুটি উঠা নাই। ইয়াৰ পৰিৱৰ্তে শাসক-বিৰোধী দুয়োটা দলেই বোকা ছটিওৱাৰ ৰাজনীতিত লিপ্ত হৈ পৰিছে। শাসক- বিৰোধী সকলোৱে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছে যে নিৰ্বাচনী প্ৰচাৰ এতিয়া ব্যক্তিগত সংঘাতলৈ পৰিণত হৈছে। খোদ মুখ্যমন্ত্ৰীগৰাকী ব্যস্ত আছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ লিংকক লৈ। প্ৰতিখন নিৰ্বাচনী সভাতে তেওঁ সাংসদ গগৈৰ বিদেশ ভ্ৰমণক লৈ প্ৰশ্ন উত্থাপন কৰিছে। ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছৰ নেতাসকলে আকৌ মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ লোকসকলক লক্ষ্য কৰি লৈছে। কেনেকৈ মুখ্যমন্ত্ৰীৰ পৰিয়াল ইমান সা-সম্পত্তিৰ গৰাকী হ'ল, মুখ্যমন্ত্ৰীৰ ভাতৃৰ সন্তান কোন দেশৰ নাগৰিক আদি প্ৰশ্ন উত্থাপনেৰে ■ *শেষাংশ এঘাৰ পৃষ্ঠালৈ*



## টুটি আহিছে চৰাই চুবুৰি

ধীৰেণ শইকীয়া

সমগ্ৰ বিশ্বতে প্ৰকৃতিপ্ৰেমী সংস্থাসমূহে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত পক্ষী সংৰক্ষণৰ গুৰুত্ব যে অপৰিসীম সেই কথা স্বীকাৰ কৰিছে। প্ৰকৃতিত আটাইতকৈ শান্ত, নীতিনিষ্ঠ, পৰিশ্ৰমী আৰু ধৈৰ্যশীল জীৱ বুলি জনাজাত এই পক্ষীসমূহে যুগে যুগে পৃথিৱীখন প্ৰদূষণ-মুক্ত কৰি ৰখাৰ পৰা আৰম্ভ কৰি নৈসৰ্গিকভাৱেও সৌন্দৰ্যশালী কৰি ৰাখিছে। সেয়েহে হয়তো আজিও পক্ষীৰ কলকলনিতহে ৰাতি পুৱাই বুলি কোৱা হয়। আমাৰ অসমীয়া সংস্কৃতিতো বিভিন্ন চৰায়ে আহোম যুগৰে পৰা উল্লেখযোগ্য স্থান দখল কৰি আহিছে। মোগল যুগত বাৰ্তা প্ৰেৰণৰ বাবে পাৰ, কপৌ আদি চৰাইৰ ব্যৱহাৰ কৰাৰ কথা আমি জানো। সাধাৰণতে বিবিধ জলাশয়, অৰণ্যভূমি, পথাৰ, পৰ্বত-পাহাৰ আদিয়েই চৰাইৰ ৰম্যভূমি। সাধাৰণতে, পৃথিৱীত ন হাজাৰৰ পৰা বাৰ হাজাৰ প্ৰজাতিৰ চৰাই আছে। কিন্তু সাম্প্ৰতিক কালত বনাঞ্চল হ্ৰাস, জলাশয় আৰু কৃষিভূমিৰ সংকোচনে চৰাইৰ জীৱনলৈ প্ৰচুৰ ভাবুকি মাতি আনিছে। লগতে জধে-মধে কৃষিভূমিত ৰাসায়নিক ■ *শেষাংশ পাঁচ পৃষ্ঠালৈ*